NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে বিধানসভা নিৰ্বাচনৰ পাছত জম্মু-কাশ্মীৰক পুনৰাই ৰাজ্যৰ মৰ্য্যাদা দিয়া হ'ব বুলি আশ্বাস দিছে।

২। সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গণেশ চতুৰ্থী পালন কৰা হৈছে।

৩। কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই কৈছে যে, চৰকাৰে উন্নত প্ৰশিক্ষণৰ বাবে খেলুৱৈ আৰু প্ৰশিক্ষকসকলক সকলো ধৰণৰ সুবিধা প্ৰদান কৰিবলৈ বদ্ধপৰিকৰ।

৪। নাগালেণ্ড চৰকাৰে পেৰিছ পেৰালিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন কৰা হোকাটো হোটোজে চেমালৈ ডেৰ কোটি টকাৰ নগদ পুৰস্কাৰ আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

***আৰু***

৫। ভাৰতে বৰ্তমানলৈকে পেৰিছ পেৰালিম্পিকত ৬ টা সোণ, ৯ টা ৰূপ আৰু ১২ টা ব্ৰঞ্জসহ মুঠ ২৭ টা পদক লাভ কৰিছে।

০০০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে বিধানসভা নিৰ্বাচনৰ পাছত জম্মু-কাশ্মীৰক পুনৰাই ৰাজ্যৰ মৰ্য্যাদা দিয়া হ'ব বুলি আশ্বাস দিছে। জম্মুত আজি এখন জনসভা সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, মোদী চৰকাৰে সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ কৰাৰ পাছত হ'বলগীয়া জম্মু-কাশ্মীৰৰ আসন্ন বিধানসভা নিৰ্বাচন ঐতিহাসিকৰূপে পৰিগণিত হৈছে। কংগ্ৰেছ-নেচনেল কনফাৰেন্স মিত্ৰজোটে পুৰণি ব্যৱস্থা পুনৰুজ্জীৱিত কৰাৰ চেষ্টা চলোৱা বুলি শ্ৰীশ্বাহে অভিযোগ তোলে। কংগ্ৰেছ আৰু নেচনেল কনফাৰেন্সে জম্মু-কাশ্মীৰত পুনৰ সন্ত্ৰাসবাদৰ অগনিলৈ ঠেলি দিয়াৰ চেষ্টা কৰিছে বুলি অভিযোগ উত্থাপন কৰি তেওঁ কেন্দ্ৰীয়শাসিত অঞ্চলটোত সন্ত্ৰাসবাদজনিত ঘটনা ৭০ শতাংস হ্ৰাস পাইছে বুলি প্ৰকাশ কৰে। শ্ৰীশ্বাহে কয় যে, এন ডি এ চৰকাৰে সন্ত্ৰাসবাদক পুনৰাই মূৰ দাঙি উঠিব নিদিয়ে। তেওঁ লগতে চৰকাৰে

অলপতে সংৰক্ষণৰ সুবিধা প্ৰদান কৰা গুজ্জৰ, পাহাৰী, বকৰৱাল আৰু দলিতসহ কোনো সম্প্ৰদায়ৰ বিৰুদ্ধে অন্যায় হ'বলৈ নিদিয়ে বুলি প্ৰকাশ কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ ১৮ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া তিনিটা পৰ্য্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰচাৰ অভিযান সন্দৰ্ভত দুদিনীয়া ভ্ৰমণসূচীৰে জম্মু-কাশ্মীৰত আছে।

০০০০০০০০০

সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গণেশ চতুৰ্থী পালন কৰা হৈছে। জ্ঞান, সমৃদ্ধি আৰু সৌভাগ্যৰ প্ৰতীক ভগৱান গণেশৰ জন্মদিনৰ লগত সংগতি ৰাখি এই উৎসৱ পালন কৰা হয়। বিনায়ক চতুৰ্থী অথবা গণেশ উৎসৱ নামে পৰিচিত এই দিনটোত ১০ দিনীয়া উৎসৱৰ আৰম্ভণি হয়। এই সময়ছোৱাত জনসাধাৰণে নিজৰ ঘৰত ভগৱান গণেশৰ মূৰ্তি স্থাপন কৰে আৰু পূজা কৰে। গণেশ বিসৰ্জনৰ পৰ্বৰে এই উৎসৱৰ সামৰণি পৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়  আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গণেশ চতুৰ্থী উপলক্ষে দেশৰাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে তেওঁৰ বাৰ্তাত কৈছে যে, উৎসাহ-আনন্দৰ এই উৎসৱে সামাজিক সম্প্ৰীতি আৰু ভাতৃত্বৰ বাৰ্তা বহন কৰে। তেওঁ কয় যে, ভগৱান গণেশ জ্ঞান, প্ৰজ্ঞা আৰু সমৃদ্ধিৰ প্ৰতীক আৰু গণেশ চতুৰ্থীৰ উৎসৱে আমাক বিনয়ী আৰু কৰ্মপৰায়ণ হ'বলৈ উৎসাহ যোগায় তথা সামাজিক সংহতিৰ প্ৰসাৰত অৰিহণা যোগায়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে জনসাধাৰণক গণেশ চতুৰ্থী উপলক্ষে সমূহীয়াভাৱে এখন সমৃদ্ধিভাৱে আৰু শান্তিপূৰ্ণ ভাৰত গঢ়াৰ হকে সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ শুভেচ্ছা বাৰ্তাত কৈছে যে, জ্ঞান-সমৃদ্ধি আৰু সৌভাগ্যৰ প্ৰতিমূৰ্তি ভগৱান গণেশে কোটি কোটি লোকৰ হৃদয়ত বিশেষ স্থান অধিকাৰ কৰি আহিছে। তেওঁ কয় যে, বিঘিনি নাশক ভগৱান গণেশে আমাক সাহস, নিষ্ঠা আৰু দৃঢ়তাৰে প্ৰত্যাহ্বান জয় কৰাৰ অনুপ্ৰেৰণা যোগায়। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে আনন্দৰ এই উৎসৱত একতা, ভাতৃত্ব বোধৰ ভাৱনা আকোঁৱালি ল'বলৈ আৰু আমাৰ সমূহীয়া প্ৰচেষ্টাৰ সকলো বিঘিনি দূৰ কৰাৰ সংকল্প গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

প্ৰধানমন্ত্ৰীয়ে গণেশ চতুৰ্থী উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে আৰু সকলোৰে সমৃদ্ধিৰ বাবে ভগৱান গণেশৰ ওচৰত প্ৰাৰ্থনা জনাইছে।

০০০০০০০০০

দক্ষতা বিকাশ আৰু উদ্যমশীলতা দপ্তৰৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধৰীয়ে আজি আজি নতুন দিল্লীত পৰিবহণ আৰু দক্ষতাৰ বিকাশ সন্দৰ্ভত ব্যক্তিগত খণ্ডৰ এটা ফুড এগ্ৰেগেটৰ অৰ্থাৎ খাদ্য সামগ্ৰী বিতৰণ আৰু ক্ৰেতাসকলক স্থানীয় ৰেষ্টোৰাঁ আদিৰ সৈতে সংযুক্ত কৰা এক প্ৰকাৰৰ অনলাইন মঞ্চৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে কয় যে, নতুন প্ৰযুক্তিৰ প্ৰচলনৰ ফলত ব্যৱসায়ৰ বাবে দক্ষতাৰ বিকাশ অপৰিহাৰ্য্য হৈ পৰিছে। পৰিবহণৰ ভৱিষ্যৎ সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰী চৌধৰীয়ে কয় যে, আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন তথা গোলকীয় ব্যৱসায়ত ভাৰতৰ বৰ্ধিত অৱদানে দেশক ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰৰূপে প্ৰতিষ্ঠা কৰাত সহায় কৰিব।

০০০০০০০০০

বিজেপিয়ে হাৰিয়াণাত মিত্ৰতাৰ বিষয় লৈ কংগ্ৰেছ আৰু আম আদমী পাৰ্টীক সমালোচনা কৰি কৈছে যে, বিৰোধী মিত্ৰজোটটোৰ কোনো নিৰ্দিষ্ট পৰিকল্পনা নাই। হাৰিয়াণা বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ আৰু আম আদমী পাৰ্টীৰ মাজত মিত্ৰতা স্থাপন হ'ব পাৰে বুলি চলা জল্পনা-কল্পনাৰ মাজতে বিজেপিৰ মুখপাত্ৰ শ্বেহজাদ পুণেৱালাই আজি নতুন দিল্লীত কয় যে, পাঞ্জাৱত আম আদমী পাৰ্টী আৰু কংগ্ৰেছ পৰস্পৰৰ বিৰোধী। পূৰ্বতে দিল্লীত মিত্ৰতা স্থাপন কৰা কংগ্ৰেছ আৰু আম আদমী পাটীৰ মাজত দেখা দিয়া অনিশ্চয়তাই দল দুটাৰ হতাশাকে প্ৰতিফলিত কৰিছে বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত পৰৱৰ্তী ৭ দিনত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে গুজৰাট, মহাৰাষ্ট্ৰ আৰু পূব ৰাজস্থানত অহা দুদিনত মূষলধাৰ বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। সপ্তাহটোত ৰাষ্ট্ৰীয় ৰাজধানীক্ষেত্ৰ দিল্লীসহ দেশৰ পশ্চিম আৰু মধ্যভাগত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলিও বতৰ বিজ্ঞান বিভাগে পূৰ্বানুমান প্ৰকাশ কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই কৈছে যে, চৰকাৰে উন্নত প্ৰশিক্ষণৰ বাবে খেলুৱৈ আৰু প্ৰশিক্ষকসকলক সকলো ধৰণৰ সুবিধা প্ৰদান কৰিবলৈ বদ্ধপৰিকৰ। শ্ৰীমন্দাভিয়াই কয় যে, খেলুৱৈসকলে যাতে বিভিন্ন প্ৰতিযোগিতাত উন্নত প্ৰদৰ্শন আগবঢ়াব পাৰে, তাৰ বাবে চৰকাৰে দেশত আন্তঃৰাষ্ট্ৰীয় মানৰ ক্ৰীড়া আন্তঃগাঁথনি বিকশাই তুলিছে। নতুন দিল্লীত আজি পেৰিছ পেৰালিম্পিকত অংশগ্ৰহণ কৰি উভতি অহা খেলুৱৈসকলক সম্বৰ্ধনা জনাই মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। সম্বৰ্ধনা জনোৱা খেলুৱৈসকলৰ ভিতৰত সোণৰ পদক বিজেতা অগ্নি লেখৰ, ৰূপৰ পদক বিজেতা মণীষ নৰৱাল আৰু প্ৰণৱ সুৰ্মা তথা ব্ৰঞ্জৰ পদক বিজেতা মোনা আগৰৱাল, ৰবীনা ফ্ৰান্সিছ আৰু ৰাকেশ কুমাৰ আছে। পেৰিছ পেৰালিম্পিকত আগবঢ়োৱা অভূতপূৰ্ব প্ৰদৰ্শনৰ বাবে খেলুৱৈসকলক প্ৰশংসা কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁলোকে বৰ্তমানলৈকে ২৭ টা পদক জয় কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে।

০০০০০০০০০

নাগালেণ্ড চৰকাৰে পেৰিছ পেৰালিম্পিকৰ পুৰুষৰ এফ ফিফটি ছেভেন শিতানৰ শ্বটপুটত ব্ৰঞ্জৰ পদক অৰ্জন কৰা হোকাটো হোটোজে চেমালৈ ডেৰ কোটি টকাৰ নগদ পুৰস্কাৰ আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই সামাজিক মাধ্যম এক্সযোগে কৈছে যে, হোকাটো হোটোজে চেমাই পেৰিছ পেৰালিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন কৰাটো ৰাজ্যৰ বাবে গৌৰৱৰ বিষয়। ৰাজ্য চৰকাৰে অৰ্জুন বঁটাৰ বাবে খেলুৱৈগৰাকীৰ নাম মনোনীত কৰিব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০০০

ভাৰতে বৰ্তমানলৈকে পেৰিছ পেৰালিম্পিকত ৬ টা সোণ, ৯ টা ৰূপ আৰু ১২ টা ব্ৰঞ্জসহ মুঠ ২৭ টা পদক লাভ কৰিছে। কেইবাগৰাকীও ভাৰতীয় খেলুৱৈ আজি পদকৰ যুঁজত অৱতীৰ্ণ হ'ব। দৌৰবিদ চিমৰণ

মহিলাৰ ২০০ মিটাৰত টি টুৰেল্‌ভ, দিলীপ গাৱিট পুৰষৰ ৪০০ মিটাৰৰ টি ফ'ৰ্টি ছেভেন আৰু নৱদীপ পুৰুষৰ জেভলিন থ্ৰ'ৰ এফ ফৰ্‌টি ৱান শিতানত অৱতীৰ্ণ হ'ব।

০০০০০০০০০

ভাৰতৰ মহিলা মল্লযোদ্ধা দলে স্পেইনৰ প'ণ্টেৱেড্ৰাত অনুষ্ঠিত ২০ বছৰৰ অনুৰ্ধৰ বিশ্ব মল্লযুদ্ধ প্ৰতিযোগিতাত এটা সোণ, এটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদকেৰে সামগ্ৰিকভাৱে দ্বিতীয় স্থান লাভ কৰিছে। নিটিকাই কালি মহিলাৰ ৬২ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ৰূপৰ পদক অৰ্জন কৰে। নিটিকাই ফাইনেলত ইউক্ৰেইনৰ মল্লযোদ্ধা ইৰিনা বোন্দাৰাৰ হাতত ১-৪ ফলাফলত পৰাজিত হয়। একেদৰে, নেহাই হাংগেৰীৰ প্ৰতিদ্বন্দ্বীক ১০-৮ ফলাফলত পৰাভূত কৰি ৫৭ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক হস্তগত কৰে। ইয়াৰ পূৰ্বে জ্যোতি বেৰৱালে মহিলাৰ ৭৬ কিলোগ্ৰাম ওজন শাখাত দেশৰ হকে সোণৰ পদক অৰ্জন কৰিছিল। আনহাতে, কোমল আৰু সৃষ্টিয়ে ক্ৰমে ৫৯ আৰু ৬৮ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ভাৰতে ফ্ৰিষ্টাইল শিতানতে আটাইকেইটা পদক লাভ কৰিছে। এই শিতানৰ খেলসমূহৰ কালি সামৰণি পৰে। পুৰুষৰ ফ্ৰি ষ্টাইল শিতানৰ খেলসমূহ আজি অনুষ্ঠিত হ'ব। ভাৰতৰ দুগৰাকী মল্ল যোদ্ধা ব্ৰঞ্জ পদকৰ যুঁজত অৱতীৰ্ণ হ'ব।

০০০০০০০০০

সমাপ্ত